Total No. of Printed Pages—3

**4 SEM TDC ASM (CBCS) MIL**

**2026**

( May/June )

ASSAMESE

( Modern Indian Language )

Paper : MIL–2

**( অসমীয়া সাহিত্যৰ চানেকি )**

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions.*

১। চমু উত্তৰ লিখাঁ : ১×৮=৮

(ক) 'হৰ-গৌৰী সংবাদ' কাৰ ৰচনা?

(খ) হেমচন্দ্ৰ গোস্বামীৰ কবিতাপুথি এখনৰ নাম লিখাঁ।

(গ) 'বিহগী কবি' বুলি কাক আখ্যা দিয়া হয়?

(ঘ) হীৰেন ভট্টাচাৰ্যই কোনখন পুথিৰ বাবে সাহিত্য অকাডেমী বঁটা লাভ কৰিছিল?

(ঙ) 'Science' শব্দটো কোন ভাষাৰ পৰা উদ্ভৱ হৈছে?

(চ) ‘অৰুণোদই’ কোন চনত প্ৰথম প্ৰকাশ হৈছিল ?

(ছ) ‘নীলকণ্ঠী ব্ৰজ’ৰ লেখক কোন ?

(জ) ভবেন্দ্ৰনাথ শইকীয়াৰ দ্বাৰা ৰচিত এখনি গল্পপুথিৰ নাম লিখাঁ।

২। (ক) কবি পৰিচয়সহ ‘গোলাপ’ *নাইবা* ‘শৰ-সন্ধান’ কবিতাৰ এটি চমু আলোচনা আগবঢ়োৱাঁ। ৫+৮=১৩

*অথবা*

(খ) হেম সৰস্বতীৰ কাব্যকৃতিৰ পৰিচয় দি তোমাৰ পাঠ্য কাব্যাংশৰ কথাখিনি চমুকৈ লিখাঁ। ৫+৮=১৩

৩। (ক) ‘বিজ্ঞান আৰু সভ্যতা’ প্ৰবন্ধৰ আঁত ধৰি মানৱ সভ্যতাৰ বিকাশত বিজ্ঞানে কিদৰে অৱদান আগবঢ়াইছে সেই সম্পৰ্কে আলোচনা কৰাঁ। ১২

*অথবা*

(খ) আনন্দৰাম ঢেকিয়াল ফুকনৰ সাহিত্যকৃতিৰ পৰিচয় দি ‘ইংলণ্ডৰ বিৱৰণ’ পাঠটিৰ কথাখিনি চমুকৈ লিখাঁ। ৫+৭=১২

৪। (ক) একাংকিকাৰ লক্ষণবোৰ লিখি ‘এটা চোলাৰ কাহিনী’ নাটত এই লক্ষণবোৰ কিদৰে প্ৰতিফলিত হৈছে, আলোচনা কৰাঁ। ৬+৮=১৪

*অথবা*

(খ) ঝুমুৰাৰ লক্ষণবোৰ উল্লেখ কৰি পাঠ্য ঝুমুৰাখনিৰ কাহিনী সম্পৰ্কে এটি আলচ আগবঢ়োৱাঁ। ৬+৮=১৪

৫। (ক) মামণি ৰয়চম গোস্বামীৰ গল্পৰ বৈশিষ্ট্যবোৰ উল্লেখ কৰি 'উদং বাকচ' গল্পৰ এটি চমু বিশ্লেষণ আগবঢ়োৱাঁ। ৬+৭=১৩

*অথবা*

(খ) ভবেন্দ্ৰনাথ শইকীয়াৰ 'এন্দুৰ' গল্পত কিদৰে সমাজ-বাস্তৱতাৰ এক কৰুণ চিত্ৰ ফুটি উঠিছে, আলোচনা কৰাঁ। ১৩

৬। (ক) 'কপিলীপৰীয়া সাধু' কোন শ্ৰেণীৰ উপন্যাস? উপন্যাসখনিত কপিলীপাৰৰ জনজীৱনৰ চিত্ৰ কেনেদৰে প্ৰতিফলিত হৈছে, বিৱৰি লিখাঁ। ১+৯=১০

*অথবা*

(খ) যি কোনো দুটা চৰিত্ৰ বিশ্লেষণ কৰাঁ : ৫×২=১০

ৰূপাই ; তিলক গোসাঁই ; সোণপাহী

৭। চমু টোকা লিখাঁ (যি কোনো দুটা) : ৫×২=১০

(ক) ভটিমা

(খ) ছনেট

(গ) আলি হাইদৰ

(ঘ) তৰাদৈ

★★★